# **REGIONAL NEWS UNIT**
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-10-2025
**Time :** 0755 Hrs.

## ***Assamese Morning Bulletin***

০০০০০০০

স্বাস্থ্য বিভাগে আজি ৩ হাজাৰ ৬৯৮টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। চিকিৎসা শিক্ষা সঞ্চালকালয়, স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু আয়ুষকে ধৰি স্বাস্থ্য বিভাগৰ অধীনৰ এই পদসমূহৰ ফলাফল ঘোষণাৰে স্বচ্ছ নিযুক্তিৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি স্থাপন হ'ব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল কালি ঘোষণা কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত কালি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হয়। অসম আৰক্ষীৰ ইউ বি শাখাৰ কনিষ্টবলৰ এহেজাৰ ৬৪৫টা আৰু সশস্ত্ৰ কনিষ্টবলৰ দুহেজাৰ ৩০০টা পদৰ ফলাফল ঘোষণা কৰা হয়। অৱশ্যে সংশ্লিষ্ট পদৰ ফলাফলসমূহ ঘোষণা কৰিলেও গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন তিনিখন লেখ আৱেদনৰ শুনানিৰ ওপৰত নিযুক্তিৰ বিষয়টো নিৰ্ভৰ কৰিব। ন্যায়ালয়ৰ নিৰ্দেশনাৰ ভিত্তিত অসম আৰক্ষীৰ ২০২টা কনিষ্টবল পদৰ ঘোষণাৰ বিষয়টো সংৰক্ষিত ৰখা হৈছে। ন্যায়ালয়ৰ ৰায়দানৰ পাছতহে এই ফলাফলসমূহ প্ৰকাশ কৰিব পৰা যাব।

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ বাবে কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰা শিল্পীগৰাকীৰ ভিছেৰা প্ৰতিবেদন কালি আৰক্ষীয়ে লাভ কৰাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনে এই সন্দৰ্ভত গঠন কৰা তদন্ত সমিতিয়ে প্ৰতিবেদন পুংখানুপুংখভাৱে পৰীক্ষা কৰি মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন প্ৰস্তুত কৰিব। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল যদিও মৃত্যুৰ ঘটনাক লৈ সন্দেহ ঘণীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল আৰু ভিছেৰা নতুন দিল্লীলৈ প্ৰেৰণ কৰা হৈছিল।

শ্ৰীগুপ্তাই কয় যে ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দেশখনক এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ইতিপূৰ্বে অৱগত কৰোৱা হৈছে। তেওঁ কয় যে গৃহ মন্ত্ৰালয়ে ছিংগাপুৰৰ এটৰ্ণী জেনেৰেলক এই বিষয়ে সম্পূৰ্ণ ৰূপে অৱগত কৰোৱাৰ পাছত ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকা হৈছে বুলিও তেওঁ কয়।

তদুপৰি জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে।

অসম চৰকাৰে জনতাৰ শিল্পীগৰাকীক ন্যায় প্ৰদানৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আৰক্ষীয়েও দ্ৰুতগতিত তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। দোষীক দৃষ্টান্তমূলক শাস্তি বিহা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কালি তেজপুৰত সাংবাদিকৰ আগত প্ৰকাশ কৰে।

*বাইট (সৰ্বানন্দ সোণোৱাল)*

০০০০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত কালি যোৰহাট জিলাৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰীগৰাকীয়ে এই বৈঠকত জিলাখনত চলি থকা বিভিন্ন উন্নয়নমূলক কাম-কাজসমূহ বিস্তৃতভাৱে পৰ্যালোচনা কৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁচনিসমূহৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত লোকনিৰ্মাণ, গৃহ, জনস্বাস্থ্য কাৰিকৰী, আৱকাৰী, শিক্ষা, পৰিবহণ, কৃষি, বন, খাদ্য আৰু অসামৰিক যোগানকে ধৰি কেইবাটাও বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়।

০০০০০০০

ৰাজ্যৰ নৱপ্ৰজন্মক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে অসম চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত শুশ্ৰূষা সেতু শীৰ্ষক স্বাস্থ্য মেলা অনুষ্ঠিত কৰিছে। যোৰহাট জিলাৰ তিতাবৰ বিধানসভা সমষ্টিত কালি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এই মেলা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে বৰহোলাৰ খেৰেমা বনুৱা আদৰ্শ অংগনবাড়ী কেন্দ্ৰটোও আনুষ্ঠানিকভাৱে উদ্বোন কৰে। মন্ত্ৰীগৰাকীয়ে কালি তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত ৰাজ্যৰ সমাজ কল্যাণ বিভাগে নিৰ্মাণ কৰা এনে চাৰিটা অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে।

চৰাইদেউ জিলাৰ সোণাৰী বিধানসভা সমষ্টিত কালি এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ৩ হাজাৰ ৮০২ গৰাকী লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। মন্ত্ৰী বিমল বৰাই এই শিবিৰ মুকলি কৰে।

০০০০০০০

**সমাপ্ত**